জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৪৩/২০২১**

# বিশিষ্ট চিকিৎসক ডাঃ দিলীপ কুমাৰ পাটগিৰিৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ২২ মে' ঃ** বিশিষ্ট চিকিৎসক, জনপ্ৰিয় শিশুৰোগ বিশেষজ্ঞ ডাঃ দিলীপ কুমাৰ পাটগিৰিৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এগৰাকী বিশিষ্ট চিকিৎসক হিচাপে প্ৰয়াত ডাঃ দিলীপ কুমাৰ পাটগিৰিয়ে ৰাজ্যৰ চিকিৎসা ক্ষেত্ৰখনলৈ যি অৱদান আগবঢ়াই গ'ল, সেয়া ৰাজ্যখনৰ জনসাধাৰণে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা শিশু চিকিৎসা বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° পাটগিৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন সহযোগী অধ্যাপক হিচাপেও কাৰ্যনিৰ্বাহ কৰি বিদ্যায়তনিক দিশলৈও বিশেষ বৰঙনি আগবঢ়াই গৈছে। এই গৰাকী বিশিষ্ট চিকিৎসকৰ মৃত্যু আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত ডাঃ দিলীপ কুমাৰ পাটগিৰিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / বীঃগঃ**
**২২/০৫/২০২১**